# BORHOLLA COLLEGE

## FIELD STUDY

### Importance of Environmental Awarness

REGARDING HEALTH : AN EDUCATIONAL PRESPECTIVE

(STUDY BASED ON TEA GARDEN LABOUR)

MOKRONG TEA - ESTATE

Submitted By

CHAYAMONI BORGOHAIN

DEPARTMENT OF EDUCATION

YEAR : 2021-2022

BORHOLLA COLLEGE

REGISTRATION NO :

ROLL NO : 29110037

**Tittle** :- মক্রং বাগানৰ শ্ৰমিকসকলৰশিক্ষা ব্যৱস্থাৰ ওপৰত অধ্যয়ণ কৰা এক প্ৰতিবেদন ।

**Objectives:-** ইয়াৰ মূল উদ্দেশ্য হল মক্ৰং বাগানৰ শ্ৰমিক সকলৰ পৰিবেশীয় সচেতনতাৰ সম্পৰ্কে অধ্যয়ণ কৰা ।

**Historical background of Mokrong:-** পৰিবেশীয় শিক্ষা হল পৰিবেশৰ যোগেদি পৰিবশেৰ কাৰণে অধ্যয়ণ কৰা শিক্ষা ।পৰিৱেশীয় শিক্ষাৰ ধাৰণা বৰ বেছি পুৰণি নহয় ।১৯৭০ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰিবেশীয় শিক্ষা আইন United state of Environment Education Act,1970 ৰ মতামত অনুসৰি পৰিবেশীয় শিক্ষা হৈছে এনে এক শিক্ষা প্ৰক্ৰিয়া যিটোৱে প্ৰাকৃতিক আৰু মানুহে সৃষ্টি কৰা চৌপাশৰ সৈতে মানুহৰ সম্পৰ্কে অধ্যয়ণ কৰে । এই শিক্ষাই মানুহৰ সামগ্ৰিক পৰিবেশৰ লগত জনসংখ্যা, প্ৰদুষণ, সম্পদৰ বিতৰণ সংৰক্ষণ, পৰিবহণ, প্ৰযুক্তিবিদ্যা আৰু নগৰ আৰু গ্ৰাম্য পৰিকল্পনাৰ সম্পৰ্কে আলোচনা কৰে ।

· পৰিবেশে জীৱনৰ মানদণ্ড আৰু স্বাস্থ্যৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায় । সুস্থ পৰিবেশে মানুহৰ ওপৰত সুস্থ আৰু অসুস্থ প্ৰভাৱ পেলাই । পৰিবেশৰ অসুস্থ প্ৰভাৱৰ ফলত মানুহৰ মনোদৈহিক জগতখনো অসুস্থ হৈ পৰে । ফলত

মানুহৰ ডায়েৰিয়া, মেলেৰিয়া, টি.বি. ইত্যাদি অন্যান্য ৰোগবিলাক হোৱাৰ সম্ভাৱনা থাকে। পৰিবেশীয় অৱস্থাৰ ওপৰতেই পুষ্টিহীনতা, বিকলাংগ, শিশুৰ জন্ম-মৃত্যু আদি কথাবোৰ নিৰ্ভৰশীল। গতিকে পৰিবেশীয় শিক্ষাই এই দিশসমূহকো ইয়াৰ পৰিসৰৰ অন্তভূৰ্ক্ত কৰে।

পৰিবেশীয় শিক্ষাই মানুহৰ মূল্যবোধ, ধ্যান-ধাৰণা আৰু জীৱন নিৰ্বাহৰ পদ্ধতি কেনেদৰে প্ৰকৃতিৰ লগত সু-সামঞ্জস্য বজাই ৰাখি উন্নত কৰিব পাৰে সেই সম্পৰ্কে আলোচনা কৰে। ভাৰতবৰ্ষৰ অন্তৰ্গত অসম ৰাজ্যৰ যোৰহাট আৰু গোলাঘাট জিলাৰ এক সীমামূৰীয়া অঞ্চল হৈছে বৰহোলা অঞ্চল। ৰজাবাহৰ, কাকডোঙা, বেকাজান, ৰাইডাংজুৰি, টেঙাজান, ইকৰাণি, আঠখেলীয়া, মক্ৰং, তৰাণি আদি ঘাই অঞ্চলসমূহকে লৈ বৰহোলা অঞ্চল গঠিত। এই অঞ্চলবোৰ সামৰি বৰহোলাৰ জনসংখ্যা প্ৰায় লাখৰো অধিক। জনবসতিৰ ফালৰ পৰা ইয়াত হিন্দু, মুছলমান, খ্ৰীষ্টীয়ান, বড়ো, মিছিং, বংগালী, নেপালী, কোঁচ, মেছকে আদি কৰি বিভিন্ন জাতিৰ লোকে বসবাস কৰে। এই ফালৰ প্ৰায় ৯০ ভাগ মানুহেই কৃষিজীৱী।

শিক্ষাৰ দিশত ১৯৪৭ চনলৈকে মাধ্যমিক শিক্ষা ল'বৰ বাবে বৰহোলাত এখনো এম.ই. স্কুল নাছিল। কিন্তু ১৯৪৭ চনত প্ৰ।াত ৰামেশ্বৰ সোনোৱালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সিদ্ধান্তমৰ্মে ১৯৪৮ চনৰ ১৮ মাৰ্চ তাৰিখে বৰহোলাৰ কাকডোঙা নৈৰ পাৰত ৰোযেশ্বৰ মহন্তৰ তত্বাৱধানত বৰহোলা মাইনৰ স্কুল প্ৰতিষ্ঠা হয়। এই স্কুলখনৰ গইনা লৈ ১৯৫৪ চনত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয়।

এই বিদ্যালয়ৰে ১৩ বিঘা মাটিত ১৯৯০ চনত বৰহোলা মহাবিদ্যালয় স্হাপন হয়।

বৰ্তমান উচ্চশিক্ষাৰ একমাত্ৰ স্হল বৰহোলা মহাবিদ্যালয়

বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খনত বৰ্তমান কলা,বিজ্ঞান,বাণিজ্য আৰু বৃতিমূলক বিভাগৰে এখন পূণাঙ্গ বিদ্যালয় হিচাপে চলি আছে। ১৯৭৮ চনত চন্দ্ৰৰেখা মহন্তই মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম স্হান আৰু ১৯৯৮ চনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কলা বিভাগত শ্ৰীমতী উৰ্বশী গগৈয়ে সপ্তম স্হান অধিকাৰ কৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনে। বৰ্তমান সময়ত এই বিদ্যালয়খনিয়ে শিক্ষাৰ দিশৰ লগতে ক্ৰীড়া , সাংস্কৃতিক আদি দিশতো প্ৰসাৰতা লাভ কৰিবলৈ বৰ্তমান উচ্চ শিক্ষা সমাপ্ত কৰি বৰহোলাত ভালেকেইজন যুৱক-যুৱতীয়ে কেন্দ্ৰীয়,অৰ্ধকেন্দ্ৰীয় আৰু ৰাজ্যৰ বিভিন্ন উচ্চপদস্হ বিষয়াত সু-খ্যাতিৰে নিযুক্তি লাভ কৰি গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে।

সাহিত্য সংস্কৃতিৰ দিশতো বৰহোলা অঞ্চল বৰ্তমান বহু আগবাঢ়ি গৈছে আৰু এই বৰহোলা অঞ্চলতে লেখক-লেখিকা গঢ়ি উঠিছে। ইয়াৰ ভিতৰত মহেন্দ্ৰনাথ হাজৰীকা আৰু হীৰেশ্বৰ কোঁচক ক্ৰমে সপোন কবি আৰু লুইতপৰীয়া কবি হিচাপে অভিহীত কৰিছে

১৯৬৫ ৰ দশকত বৰহোলাত খাৰুৱা তেলৰ অনুসন্ধান আৰু ৪ বছৰৰ পাছত

খনন কাৰ্য আৰম্ভ হোৱাৰ ১৯৭৯ চনত খৰুৱা তেল আহৰণৰ ব্যৱস্থা কৰা হয়। প্ৰথম অৱস্থাত টেংকাৰেৰে আৰু পাছত শিলডুবিত জি.জি.এচ. স্থাপন কৰি পাইপেৰে তেল পঠোৱাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ জৰিয়তে বৰহোলা আৰু চুবুৰীয়া অঞ্চলসমূহৰ ব্যক্তি-সকলে প্ৰতক্ষ্যভাৱে হওক বা পৰোক্ষ ভাৱেই হওক কৰ্ম সংস্থাপন লাভ কৰি অৰ্থনৈতিক ভাৱে উন্নত হোৱাত সক্ষম হৈছে।

সৰু হলেও এই বৰহোলা অঞ্চলত আৱশ্যকীয় সকলোবোৰ সুবিধা আছে। বৰ্তমান বৰহোলাক মহকুমালৈ উন্নীত কৰাৰ বাবে বিভিন্ন দল-সংগঠনে অপাৰ চেষ্টা চলাই চলাই আছে।

বৰহোলা অঞ্চলৰ দক্ষিণ-পশ্চিম অঞ্চলত গোলাঘাট জিলাত অৱস্থিত এটি অঞ্চল হৈছে মক্ৰং অঞ্চল। গোলাঘাট জিলাৰ পৰা পূব অংশত অৱস্থিত তৰাণি,বাৰীচোৱা, খুটাকটা, ঘিলাধাৰী,বৰচাপৰি আদি অঞ্চলসমূহকলৈ এই মক্ৰং অঞ্চলটি গঠিত হৈছে।

অতিজতে মক্ৰং অঞ্চলটোৰ বাসিন্দা সকলৰ আৰ্থিক অৱস্থা সিমান স্বচ্ছল নাছিল। শিক্ষাৰ কোনো পোহৰে সেই অঞ্চল প্লাবিত কৰিব পৰা নাছিল। সেই অঞ্চলৰ লোক অতিততে কোনো যাতায়ত আদিৰ সুবিধা পোৱা নাছিল। সেই অঞ্চলত ওখ ওখ

চাপৰিছে আছিল আৰু সেই চাপৰি বিলাকত খেৰ পোৱা গৈছিল। খেৰনিৰ মাজেৰে চাই-কেল আৰু ঘোঁজ কাটি মানুহ অহা যোৱা কৰিছিল। মক্ৰং অঞ্চলৰ মাটি সমূহ চাহ খেতিৰ কাৰণে উপযোগী আছিল।

ভাৰতবৰ্ষত ব্ৰিটিছৰ শাসনৰ কালছোৱাতে সেই অঞ্চলসমূহ ডাঠ হাবিৰে ভৰপূৰ আছিল। সেই সময়ত অসমীয়া সমাজত চাহ খেতিৰ সম্পৰ্কিত কোনো জ্ঞান নাছিল। ইংৰাজসকলে অনাঠাইত চাহ বাগান মুকলি কৰাৰ লগতে ১৯৪০ চনত মক্ৰংটো এখন চাহ বাগানৰ প্ৰতিষ্ঠা কৰে। তাৰ পাছত ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছতো বিৰলা নামৰ এটি কোম্পানীয়ে বাগানখন চোৱা-চিতা কৰে। তাৰ পাছত ১৯৫৬ চনত এই বাগান খন হেমেন বৰুৱা নামৰ এজন চাহ খেতিয়কৰ হাতলৈ হস্তান্তৰিত হয়।

বৰ্তমান এই হেমেন বৰুৱাৰ বংশধৰৰ হাততে বাগানৰ মালিকীস্বত্ব আছে। বৰ্তমান এই বাগানৰ মাটিকালি হৈছে-৪৯১.১৯ হেক্টৰ। বৰ্তমান এই বাগানে এক বছৰত প্ৰায় ১৭৬০০০০ কেজি কেচা চাহপাত দিবলৈ সক্ষম হৈছে। মক্ৰং বাগানৰ মেনেজাৰৰ পদত অধিষ্ঠিত হৈ থকা ব্যক্তিজন হৈছে শ্ৰীযুত ঋতুপৰ্ণ বৰা। মক্ৰং বাগানত স্হায়ী ভাবে কাম কৰা বনুৱা পুৰুষ প্ৰায় ৩২৯ জন আৰু বনুৱা মহিলাৰ সংখ্যা প্ৰায় ৩৬১ গৰাকী। পাত উৎপাদনৰ ঋতু অনুসৰি এই বাগানত শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। ঋতু অনুসৰি কাম কৰা বনুৱাসকলক "ফাল্টু" বোলা হয়।

সেই সময়ত যাতায়ত, স্বাস্থ্য, শিক্ষানুষ্ঠান, খোৱাপানী একোৱে সুবিধা পোৱা নাছিল। বৰ্তমান বাগানৰ শ্ৰমিকসকল অৰ্থনৈতিক উন্নয়ণ আৰু চৰকাৰৰ প্ৰচেষ্টা আদিয়ে শিক্ষা, যাতায়ত, খোৱাপানী আদিৰ সুবিধা প্ৰদান কৰি উন্নত জীৱন-যাপন কৰাত সক্ষম কৰি তুলিছে।

মক্ৰং বাগানৰ বনুৱাসকলক শিক্ষিত কৰিবৰ বাবে ১৯৪৮ চনত বাগানত এখন প্ৰাথমিক আৰু ১৯৯৫ চনত মাধ্যমিক স্কুল স্হাপন কৰে। বৰ্তমান বাগানত শ্ৰমিক সকলৰ লৰা-ছোৱালী উভয়ে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা আহৰণ কৰিবলৈ সক্ষম হৈছে। কোনো কোনো লৰা-ছোৱালীয়ে উচ্চ শিক্ষা আহৰণ কৰিবলৈও সক্ষম হৈছে।

মক্ৰং আৰু তাৰ চুবুৰীয়া অঞ্চলসমূহৰ জনসাধাৰণে বৰ্তমান চাহ খেতিৰ সম্পৰ্কত জ্ঞান আহৰণ কৰি ব্যক্তিগত ভাবেও চাহ বাগান পাতি আৰ্থিক দিশত উন্নতি কৰিছে।মক্ৰং অঞ্চলৰ বাগানৰ বনুৱাৰ পৰিৰ্বতে বাকী জনসাধাৰণৰ প্ৰায় নব্বৈ শতাংশই ধান, চাহ আদি খেতিৰ ওপৰত নিৰ্ভৰশীল। বাকী দহ শতাংশই ব্যৱহায় - বাণিজ্য, চাকৰি আদিৰ লগত জড়িত।

মক্ৰং অঞ্চলত বৰ্তমান যাতায়তৰ সুবিধা যথেষ্ট উন্নত হৈছে। মক্ৰং,আঠখেলীয়া, বৰহোলা, গোলাঘাট, আদি ঠাইলৈ সংযোগী পথসমূহ বৰ্তমান পকীকৰণ কৰা হৈছে। এই পথেদি যান-বাহন চলাচল কৰি যাতায়তৰ পথ সুগম কৰি তুলিছে । যাতায়তৰ লগতে খোৱা-পানীৰ ব্যৱস্হাও চৰকাৰে সুবিধা প্ৰদান কৰিছে।

METHODOLOGY :-

গোলাঘাট জিলাৰ অন্তৰ্গত মক্ৰং পঞ্চায়তৰ অধীনত থকা মক্ৰং চাহ বাগিচাৰ থলুৱা চাহ জনগোষ্ঠীৰ লোকসকলৰ পৰা শ্ৰমিক সকলৰ সাক্ষৰতা হাৰ অধ্যয়ণ কৰিবৰ বাবে প্ৰাথমিক আৰু দ্বিতীয়ক তথ্য সংগ্ৰহ কৰাৰ লগতে RANDOM SAMPLING পদ্ধতিৰ সহায়ত মূল ১৪০ ঘৰ মানুহৰ পৰা ২০ ঘৰ বাছি লোৱা হ'ল। ইয়াৰ দ্বাৰা বাগানৰ শ্ৰমিকসকলৰ শিক্ষিত হাৰ সম্পৰ্কে তথ্য লাভ আৰু তেওঁলোকৰ গুণগত বিকাশ সম্পৰ্কে তথ্য সংগ্ৰহ কৰা হ'ল।

FINDING OF THE STUDY :-

উপৰোক্ত ক্ষেত্ৰ অধ্যয়ণটোৰ পৰা বিশ্লেষণ কৰিলে আমি তলৰ ফলাফল সমূহ দেখা পাওঁ। তালিকা নং ১ ত মুঠ জনসংখ্যাৰ তথ্য দিয়া হ'ল।

তালিকা নং - ১

| লিংগ | মুঠ জনসংখ্যা | শতকৰা হাৰ |
|---|---|---|
| পুৰুষ | ৭০ | ৪৯.২৯ শতাংশ |
| মহিলা | ৭২ | ৫০.৭১ শতাংশ |
| মুঠ | ১৪২ | ১০০.০০ শতাংশ |

উপৰোক্ত তথ্যসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে পুৰুষৰ মুঠ জনসংখ্যা ৭০ জন আৰু শতকৰা হাৰ ৪৯.২৯ শতাংশ। তাৰ তুলনাত মহিলাৰ মুঠ সংখ্যা ৭২ গৰাকী আৰু শতকৰা হাৰ ৫০.৬২ শতাংশ। অৰ্থাৎ ইয়াৰ পৰা বুজিব পাৰি যে বাগানখনত মহিলাৰ জনসংখ্যা পুৰুষৰ তুলনাত বেছি।

ঠিক সেইদৰে মক্ৰং বাগানৰ লোকসকলৰ শিক্ষিত সংখ্যা প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ সকলোতে কম পৰিমানে হ'লেও থকা দেখা যায়। মক্ৰং বাগানৰ লোকসকলৰ পুৰুষ আৰু মহিলাৰ শিক্ষিত সংখ্যা ক্ৰমে ৪২ আৰু ২৮। মুঠ ৭০ গৰাকী।

তলৰ ২ নং তালিকাত শিক্ষাগত অৰ্হতা সম্পৰ্কে তথ্যসমূহ দেখুওৱা হ'ল -

তালিকা নং - ২

| লিংগ | প্ৰাথমিক স্তৰ | শতকৰা হাৰ | মাধ্যমিক স্তৰ | শতকৰা হাৰ | উচ্চ স্তৰ | শতকৰা হাৰ | সৰ্বমুঠ |
|---|---|---|---|---|---|---|---|
| পুৰুষ | ২৭ | ৫৬.২৫ | ১২ | ৬৩.১৮ | ৩ | ১০০ | ১০০% |
| মহিলা | ২১ | ৪৩.৭৫ | ৭ | ৩৬.৮২ | ০ | ০ | ১০০% |

ওপৰৰ তালিকাৰ পৰা তথ্যসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা এই তিনিটা স্তৰতে পুৰুষৰ শিক্ষিত সংখ্যা বেছি। প্ৰাথমিক স্তৰত পুৰুষৰ শিক্ষিত সংখ্যা ২৭ জন আৰু শতকৰা হাৰ ৫৬.২৫% আৰু তাৰ তুলনাত মহিলাৰ প্ৰাথমিক শিক্ষা

লাভ কৰাৰ মুঠ সংখ্যা ২১ গৰাকী আৰু শতকৰা হাৰ ৪৩.৭৫%। ইয়াৰ পৰা ক'ব পাৰি যে প্ৰাথমিক শিক্ষা লাভ কৰাৰ ভিতৰত পুৰুষৰ সংখ্যাই বেছি।

ইয়াৰ বিপৰীতে মাধ্যমিক স্তৰতো মহিলাৰ তুলনাত পুৰুষৰ শিক্ষিত সংখ্যা বেছি। পুৰুষৰ ১২ জন শতকৰা হাৰ ৬৩.১৮% আৰু মহিলাৰ ৭ গৰাকী শতকৰা হাৰ ৩৬.৮২%।

উচ্চ স্তৰৰ শিক্ষালৈ লক্ষ্য কৰিলে দেখা যায় যে এই স্তৰটো পুৰুষৰ তুলনাত মহিলা এগৰাকীও নাই। উচ্চ শিক্ষা লাভ কৰা পুৰুষৰ সংখ্যা ৩ জন আৰু শতকৰা হাৰ ১০০% আৰু মহিলাৰ সংখ্যা ০ গৰাকী আৰু শতকৰা হাৰ ০%।

ঠিক সেইদৰে মক্ৰং বাগানৰ পৰিবেশ সম্পৰ্কে জ্ঞান আছেনে নাই সেই স্থিতিৰ ক্ষেত্ৰ লক্ষ্য কৰোতে তালিকা নং ৩ ত দেখুওৱাৰ দৰে তথ্য দেখিবলৈ পাওঁ -

তালিকা নং - ৩

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ৭ | ৩৫% | ১৩ | ৬৫% |

গতিকে ওপৰৰ তথ্যসমূহৰ পৰা দেখা পালো যে মক্ৰং বাগানৰ ২০ ঘৰ মানুহৰ মাজত ৭ ঘৰ মানুহে পৰিবেশ সম্পৰ্কে জ্ঞান আছে আৰু তাৰ শতকৰা হাৰ হ'ল ৩৫%। আৰু পৰিবেশ সম্পৰ্কে জ্ঞান নথকা মানুহৰ ঘৰৰ সংখ্যা হ'ল ১৩ ঘৰ আৰু শতকৰা হাৰ ৬৫%।

ইয়াৰ পৰা বুজা গ'ল যে পৰিবেশৰ সম্পৰ্কে অতি কম মানুহেহে জ্ঞান লাভ কৰা দেখা যায়।

ঠিক সেইদৰে বাগানৰ শ্ৰমিকসকলৰ পৰা পৰিবেশ সজাগতাৰ প্ৰয়োজন আছে নে নাই সেই বিষয়ে তথ্য তালিকা নং - ৪ ত উল্লেখ কৰা হ'ল -

তালিকা নং - ৪

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ১৪ | ৭০% | ৬ | ৩০% |

ওপৰৰ তথ্যসমূহৰ পৰা দেখা পালো যে আমাৰ পৰিবেশ সজাগতাৰ প্ৰয়োজন অতি দৰকাৰী। গতিকে এই অঞ্চলটো পৰিবেশৰ সজাগতাৰ বিষয়ে বহুতো জানে।

তালিকা নং - ৫

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ১৩ | ৬৫% | ৭ | ৩৫% |

উক্ত তালিকা নং - ৫ ত উল্লেখ কৰা তথ্যসমূহৰ পৰা দেখা পালো যে আমি তথ্য সংগ্ৰহ কৰা ২০ ঘৰ মানুহৰ ভিতৰত ১৩ ঘৰ মানুহৰ সু-স্বাস্থ্যত যে পৰিবেশৰ ভূমিকা আছে তাৰ

সম্মতি প্ৰদান কৰিছে। এই ১৩ ঘৰ মানুহৰ শতকৰা হাৰ হ'ল ৬৫% আৰু ৭ ঘৰ মানুহৰ পৰিবেশৰ ভূমিকা নাই বুলি বক্তব্য প্ৰদান কৰিছে। ইয়াৰ শতকৰা হাৰ হ'ল ৩৫%।

ঠিক সেইদৰে মক্ৰুং বাগানৰ ২০ ঘৰ মানুহৰ ভিতৰত সু-স্বাস্থ্য সম্পৰ্কে জ্ঞানৰ বিশ্লেষণ কৰি আহৰণ কৰা তথ্যসমূহ তালিকা নং - ৬ ত উল্লেখ কৰা হ'ল -

তালিকা নং - ৬

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ১১ | ৫৫% | ৯ | ৪৫% |

উক্ত তালিকা নং - ৬ ত উল্লেখ কৰা তথ্যসমূহৰ পৰা দেখা পালো যে ২০ ঘৰ মানুহৰ ভিতৰত ১১ ঘৰ মানুহৰ সু-স্বাস্থ্য সম্পৰ্কে জ্ঞান আছে আৰু শতকৰা হাৰ ৫৫% আৰু ৭ ঘৰ মানুহৰ সু-স্বাস্থ্য সম্পৰ্কে জ্ঞান নাই আৰু ইয়াৰ শতকৰা হাৰ হ'ল ৪৫%।

ঠিক সেইদৰে বৰ্তমান আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীদেৱে ভাৰতবৰ্ষৰ সকলো পৰিবেশ, ৰাস্তা-পদুলি সকলো পৰিস্কাৰ কৰি ৰাখিবৰ বাবে এখন অভিযান অৰ্থাৎ আঁচনি উলিয়াইছিল। এই আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষৰ সকলো ঠাইতে চাফাই অভিযান আগবঢ়াইছিল। এই আঁচনিখনৰ নাম হ'ল "প্ৰধান মন্ত্ৰীৰ স্বচ্ছ ভাৰত অভিযান" আঁচনি। এই অভিযান বিষয়ে টি.ভি., ৰেডিঅ' ইত্যাদি সকলোতে প্ৰচাৰ চলি আছে। এই সম্পৰ্কে ২০ ঘৰ মানুহৰ মাজত এই

আঁচনিখনৰ বিষয়ে জ্ঞাত হয়নে নহয় তাক সুধোতে তলৰ তালিকা নং - ৭ ত এই তথ্য উল্লেখ কৰা হ'ল।

তালিকা নং - ৭

| মুঠ ঘৰ | হয় | শতকৰা হাৰ | নহয় | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ৪ | ২০% | ১৬ | ৮০% |

ওপৰৰ তালিকা নং - ৭ ত গম পালো যে ২০ ঘৰ মানুহৰ ভিতৰত ৪ ঘৰ মানুহেহে এই অভিযানৰ সম্পৰ্কে জ্ঞাত হয় আৰু তাৰ শতকৰা হাৰ ২০%। আৰু ১৬ ঘৰ মানুহৰ এই অভিযানৰ সম্পৰ্কে জ্ঞাত নহয়। তাৰ শতকৰা হাৰ ৮০%।

ঠিক সেইদৰে মঞ্জং বাগানৰ ২০ ঘৰ মানুহৰ ভিতৰত ঘৰৰ অনাময় ব্যৱস্থাৰ সম্পৰ্কে সুধোতে কিছু ঘৰ মানুহৰ অনাময় ব্যৱস্থা আছে আৰু কিছু ঘৰ মানুহৰ এই ব্যৱস্থা নাই বুলি তথ্য পোৱা গৈছে। উক্ত তথ্য সমূহ তালিকা নং - ৮ ত দেখুওৱা হৈছে -

তালিকা নং - ৮

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ৩ | ১৫% | ১৭ | ৮৫% |

ওপৰত তালিকা নং - ৮ ত দেখা পালো যে ২০ ঘৰ মানুহৰ ভিতৰত ৩ ঘৰৰ হে অনাময় ব্যৱস্থা আছে। ইয়াৰ শতকৰা হাৰ হ'ল ১৫% আৰু ১৭ ঘৰ মানুহৰেই অনাময় ব্যৱস্থা নাই। ইয়াৰ শতকৰা হাৰ হ'ল ৮৫%।

ঠিক সেইদৰে ২০ ঘৰ মানুহৰ মাজত খোৱা পানীৰ ব্যৱস্থা স্বাস্থ্যসন্মত হয়নে নহয় তাৰ তথ্য বিশ্লেষণ কৰোতে তলৰ তালিকা নং - ৯ ত উল্লেখ কৰা হ'ল -

তালিকা নং - ৯

| মুঠ ঘৰ | হয় | শতকৰা হাৰ | নহয় | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ৬ | ৩০% | ১২ | ৭০% |

ওপৰৰ তালিকাৰ পৰা দেখা পালো যে ২০ ঘৰ মানুহৰ ভিতৰত ৬ ঘৰ মানুহৰহে খোৱা পানীৰ ব্যৱস্থা স্বাস্থ্যসন্মত আৰু শতকৰা হাৰ ৩০% আৰু ১৪ ঘৰ মানুহৰ খোৱা পানী ব্যৱস্থা স্বাস্থ্যসন্মত নহয়। তাৰ শতকৰা হাৰ ৭০%।

ঠিক সেইদৰে আমাৰ দেশত, ৰাজ্যত বিভিন্ন চৰকাৰী আঁচনি উলিওৱা দেখা গৈছে। বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ জৰিয়তে বিভিন্ন কাৰ্য, সমস্যা সমাধানৰ কাৰণে আগবঢ়া দেখা গৈছে। এই সম্পৰ্কে বাগানৰ ২০ ঘৰ মানুহৰ মাজত বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ ক্ষেত্ৰত সজাগতা আছে নে নাই সুধোতে তলৰ তালিকা নং - ১০ উল্লেখ কৰা হ'ল -

তালিকা নং - ১০

| মুঠ ঘৰ | আছে | শতকৰা হাৰ | নাই | শতকৰা হাৰ |
|---|---|---|---|---|
| ২০ | ৫ | ২৫% | ১৫ | ৭৫% |

উক্ত তালিকা নং - ১০ ত দেখা গ'ল যে ২০ ঘৰ মানুহৰ ভিতৰত ৫ ঘৰহে এই আঁচনিৰ সম্পৰ্কে সজাগতা আছে আৰু শতকৰা হাৰ হ'ল ২৫% আৰু ১৫ ঘৰ মানুহৰ সজাগতা নাই। ইয়াৰ শতকৰা হাৰ হ'ল ৭৫%।

ওপৰত উল্লেখ কৰা তথ্যসমূহৰ পৰা দেখা গল যে মহিলাসকলৰ তুলনাত পুৰুষ সকল শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া আৰু জনসংখ্যা ক্ষেত্ৰত মহিলাসকল পুৰুষৰ তুলনাত আগবঢ়া।

তথ্য সংগ্ৰহৰ পৰা পোৱা তথ্য অনুসৰি এই বাগানখনত শিক্ষানুস্থানৰ সুবিধা, শিক্ষক, স্বাস্থ্যসেৱা, খোৱাপানী, পৰিৱেশ আৰু বিভিন্ন চৰকাৰী স্বাস্থ্য আচনি ইত্যাদি সকলো ধৰণৰ সুবিধা আছে ।অৰ্থনৈতিক ক্ষেত্ৰটো বাগানৰ শ্ৰমিকসকল প্ৰায় মধ্যবিত্তীয়া । বাগানৰ শ্ৰমিকসকলে চৰকাৰৰপৰা বিশেষ অনুদান পোৱা নাই যদিও সাধাৰণতে চৰকাৰী শিক্ষানুস্থানত প্ৰদান কৰা সাধাৰণ সুবিধাসমুহ লাভ কৰিছে । তাৰ উপৰিও দুই এঘৰ লোকে চৰকাৰৰ পৰা প্ৰদান কৰা ঘৰ আৰু দুই এঘাৰ লোকে অনাময় ব্যৱস্থা আৰু প্ৰায়ভাগ লোকেই সুলভ মূল্যৰ চাউল, কেৰাচিন তেল আদি লাভ কৰিছে।

**CONCLUSION :**

ওপৰোক্ত ক্ষেত্ৰ অধ্যয়নৰ তথ্য বিশ্লেক্ষণ কৰিলে দেখা পাওঁ যে বাগানৰ শ্ৰমিক সকলৰ পৰিবেশৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। পৰিবেশীয় শিক্ষাই প্ৰাকৃতিক আৰু মানুহে সৃষ্টি কৰা চৌপাশৰ সৈতে মানুহৰ সম্পৰ্ক অধ্যয়ন কৰে। সুস্থ পৰিবেশে মানুহৰ ওপৰত সুস্থ আৰু অসুস্থ পৰিবেশে অসুস্থ প্ৰভাৱ পেলাই এই বিষয়ে বাগানৰ শ্ৰমিকসকলৰ ওপৰত জ্ঞান আছে।

ইয়াৰোপৰি বাগানৰ শ্ৰমিকসকলৰ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা। এই অঞ্চলটোত পুৰুষৰ তুলনাত মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা। যদিও তেওঁলোকৰ অন্যান্য কাম-কাজ সমূহত পুৰুষৰ সমানেই আগবঢ়ি গৈছে। অতীততে শিক্ষা ব্যৱস্থা পিছপৰা আছিল বাবে সেই সময়ৰ লোকসকলে তেওঁলোকৰ অৰ্থনৈতিৰ অৱস্থাৰ উন্নত হোৱাৰ বাবেও তেওঁলোকৰ লৰা-ছোৱালীবোৰ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা আছিল। কিন্তু ২০১২/১৩ চনৰ বাগানৰ সৰ্বশিক্ষা অভিযান আৰম্ভ হোৱাৰ পৰা সকলো লৰা-ছোৱালীয়েই প্ৰাথমিক শিক্ষা লাভ কৰিছ আৰু ক্ৰমান্বয়ে তেওঁলোকৰ মাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়িবীল ধৰিছে। যদিহে ভাৰত চৰকাৰে মাধমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত বাগানৰ শ্ৰমিকসকলৰ প্ৰতি অলপ গুৰুত্ব দিয়ে তেতিয়া অন্যান্য লোকৰ দৰে বাগানৰ শ্ৰমিকসকলৰ শিক্ষাৰ হাৰ বৃদ্ধি পাবলৈ সক্ষম হব।

পৃষ্ঠা নং - ১৩

# IMPORTANCE OF ENVIRONMENTAL AWARNESS REGARDING HEALTH :: An Educational Perspective
## (Study Based on Tea Garden Labour)
## Questionaire

১. পৰিয়ালৰ সদস্যৰ নাম -

২. পুৰুষ আৰু মহিলা সদস্যৰ সংখ্যা -

৩. শিক্ষাগত অৰ্হতা -

| | পুৰুষ | মহিলা | মুঠ | শতাংশ |
|---|---|---|---|---|
| Primary | | | | |
| Secondary | | | | |
| Higher | | | | |

৪. পৰিবেশ সম্পৰ্কে জ্ঞান -

৫. পৰিবেশ সজাগতাৰ প্ৰয়োজন আছে নে নাই -

৬. সুস্থ স্বাস্থ্যত পৰিবেশৰ ভূমিকা আছে নে নাই -

৭. ঘৰৰ পৰিবেশ স্বাস্থ্যৰ অনুকূল হয় নে নহয় -

৮. সুস্থ স্বাস্থ্য সম্পৰ্কে জ্ঞান আছে নে নাই -

৯. প্ৰধান মন্ত্ৰীৰ স্বচ্ছ ভাৰত অভিযান সম্পৰ্কে জ্ঞাত হয় নে নহয় -

১০. ঘৰৰ অনাময় ব্যৱস্থা আছে নে নাই -

১১. [illegible] পানীৰ ব্যৱস্থা স্বাস্থ্য সন্মত হয় নে নহয় -

১২. বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ ক্ষেত্ৰত সজাগতা আছে নে নাই -